# বন্দিতা ফুকনৰ ‘সেউজীয়া ধৰণী’ উপন্যাসত প্ৰতিফলিত সমাজ-বাস্তৱতা আৰু শিশু-মনস্তাত্ত্বিক দিশ

**অৰ্চনা দেৱী**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়
Email: me.archanad@gmail.com

**সংক্ষিপ্তসাৰ**

বন্দিতা ফুকন সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক। পেচাগতভাৱে অভিযন্তা ফুকন একেধাৰে ঔপন্যাসিক, গল্পকাৰ, অনুবাদক, প্ৰাবন্ধিক, শিশু সাহিত্যিক; সৰ্বোপৰি বিজ্ঞান আৰু কল্পবিজ্ঞান বিষয়ৰ এগৰাকী বিখ্যাত লেখিকা। শিশু সাহিত্যিক হিচাপে বিশেষ খ্যাতি লাভ কৰা ফুকনৰ শিশু আৰু কিশোৰৰ কাৰণে আগবঢ়োৱা সাহিত্যৰাজিৰ মূল্যায়ণৰ প্ৰয়োজনীয়তা অতি গভীৰ। কিয়নো আজিৰ শিশু কাইলৈৰ দেশৰ ভৱিষ্যত। শিশু সকলক নৈতিক আৰু মূল্যবোধৰ শিক্ষা দিব পাৰে, চৌদিশৰ পৰিৱেশ আৰু সাহিত্য অধ্যয়নে। গতিকে যি সকল লেখকে শিশু সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰি কাম কৰি আছে, তেনে সাহিত্যৰ সঠিক মূল্যায়ণ হোৱাটো অতি প্ৰয়োজনীয়।

বন্দিতা ফুকনে শিশু আৰু কিশোৰৰ কাৰণে তিনিকুৰিৰো অধিক গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ ভিতৰত উপন্যাসৰ সংখ্যা সৰ্বাধিক। ‘সেউজীয়া-ধৰণী’ লেখিকাৰ অন্যতম জনপ্ৰিয় উপন্যাস। ২০১১ চনত এই উপন্যাসখনে সাহিত্য অকাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হয়। উপন্যাসখনত ঔপন্যাসিকে সমাজ ব্যস্তৱতাৰ দৃষ্টিকোণেৰে ভূমিস্খলন, প্ৰাকৃতিক গেছ, বায়ু প্ৰদূষণ, প্ৰকৃতিৰ প্ৰতি সচেতনতা, কল-কাৰখানাৰ পৰা নিৰ্গত ধোঁৱা, বন ধ্বংস আদি দিশসমূহ উত্থাপন কৰি সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে। লগতে এনে বিষয়সমূহৰ প্ৰতি শিশু বা কিশোৰৰ কৰ্তব্য, দায়িত্ব আৰু সজাগতাৰ দিশত গুৰুত্ব আৰোপ কৰি দুয়োটা দিশৰ সুন্দৰ বাৰ্তা বহন কৰিছে।

গৱেষণা পত্ৰত এই দুয়োটা দিশৰ সামঞ্জস্যতা আৰু পৰিৱেশ প্ৰদূষণ সম্পৰ্কে মানুহৰ সচেতনতা, সৰ্বোপৰি শিশুসকলৰ মাজত জাগ্ৰত হোৱা সচেতনতাৰ দিশসমূহকো আগবঢ়ায় নিয়া হৈছে। সম্পূৰ্ণ গবেষণা পদ্ধতিৰ মাজেৰে আগবঢ়াই নিয়া-পত্ৰখনত মুখ্য সমল হিচাপে অনুভৱ পৰাশৰ দ্বাৰা সম্পাদিত ‘বন্দিতা ফুকনৰ নিৰ্বাচিত শিশু উপন্যাস’ নামৰ গ্ৰন্থক গ্ৰহণ কৰা হৈছে।

**সূচক শব্দঃ** বিজ্ঞান, পৰিৱেশ প্ৰদূষণ, ধৰণী, মনস্তত্ব, নৈতিকতা।

**প্ৰস্তাৱনা**

অনুবাদক হিচাপে সাহিত্যিক জীৱনৰ পাতনি মেলা বন্দিতা ফুকনে (১৯৮৪) শিশু সাহিত্যিক হিচাপেও খ্যাতি লাভ কৰিছে। বিশেষকৈ ফুকনে শিশু-কিশোৰৰ মানসিক, বৌদ্ধিক বিকাশৰ কাৰণে ভালেখিনি কাম কৰি আহিছে। তেনেদৰে আমাৰ বাস্তৱ সমাজখনৰ বিভিন্ন দিশ শিশু মনস্তত্বৰ লগত খাপ খোৱাকৈ তেখেতে সৰ্বাধিক গ্ৰন্থ ৰচনা কৰিছে। বিশেষকৈ পৰিৱেশ প্ৰদূষণ আৰু বিজ্ঞানসম্মত দৃষ্টিকোণবিলাক শিশু সমাজক অৱগত কৰাবলৈ শিশু উপযোগীকৈ ভাল সংখ্যক গ্ৰন্থ ৰচনা কৰিছে। তাৰ ভিতৰত শিশু উপন্যাসৰ সংখ্যাই সৰ্বাধিক। বন্দিতা ফুকনৰ শিশু-সাহিত্যৰাজিৰ ভিতৰত আছে, 'জুমি ৰীমা আৰু সিহঁত (১৯৮২) ৰে আৰম্ভ কৰি ৩০ খন উপন্যাস, এখন সাধুকথা পুথি (বিদেশী সাধুকথা); অসমৰ বুৰঞ্জীৰ চৰিত্ৰ 'জয়মতীক' কেন্দ্ৰ কৰি তেওঁ ৰচনা কৰা কমিক অসমৰ চিত্ৰ কথা, মহান বিজ্ঞানীৰ শৈশৱকাল, ককাৰ জিমি: বিভিন্ন ভাষাৰ পৰা অনুদিত পুথি-সাত নেজীয়া নিগনি পোৱালি, যাদুৰ নগৰী, স্বাধীনতাৰ এটা পথ, বিশ্ব পৰিচয়, জোনবাই, পৰুৱা, মৌমাখি আদি। ইয়াৰ ভিতৰত 'অসমৰ চিত্ৰ কথা', 'মহান বিজ্ঞানীৰ শৈশব কাল', 'ককাৰ জিমি' আদি গ্ৰন্থসমূহ পৃথিবীৰ বিভিন্ন ভাষালৈ অনুদিত হৈছে।

ইতিমধ্যে কোৱাই হৈছে যে, শিশু সাহিত্যিক হিচাপে বন্দিতা ফুকনে বহু সংখ্যক উপন্যাস ৰচনা কৰিছে আৰু কৰি আছে। বিবিধ বিষয়ক বিষয়বস্তু হিচাপে লৈ ৰচনা কৰা উপন্যাসসমূহে অসমীয়া শিশু সাহিত্যৰ জগতখন সমৃদ্ধ কৰিছে। বন্দিতা ফুকনে ৰচনা কৰা উপন্যাসসমূহৰ এটা কেন্দ্ৰিয় চৰিত্ৰ হৈছে 'সোণটি'। 'সোণটি' চিৰিজত ফুকনে ভালে সংখ্যক উপন্যাস বচনা কৰিছে। 'সোণটি'ৰ মাধ্যমেৰে ফুকনে অসমৰ গ্ৰাম্য আৰু নগৰীয়া দুয়োখন সমাজৰ চিত্ৰ খুব সুন্দৰকৈ অংকন কৰিছে। সোণটিহঁতৰ বিপদ, মিনুৰ ৰবট সখী, সোণটিৰ ৰবট কুকুৰ, সহায় আদি ফুকনে ৰচনা কৰা বিজ্ঞান বিষয়ক উপন্যাস। আনহাতে সেউজীয়া ধৰণী (২০০৫) উপন্যাসৰ বিষয়বস্তু হৈছে পৰিৱেশ সম্পৰ্কীয়। অৱশ্যে ফুকনে ৰচনা কৰা প্ৰতিখন উপন্যাসত কিবা নহয় কিবা প্ৰকাৰে বিজ্ঞান আৰু পৰিৱেশ সচেতনতাই স্থান লাভ কৰি আহিছে।

গৱেষণাৰ বাবে নিৰ্বাচিত উপন্যাস 'সেউজীয়া ধৰণী' উপন্যাসৰ বাবে ২০১১ চনত সাহিত্য অকাডেমীৰ শিশু সাহিত্য পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা উপন্যাসখন পৃথিবীৰ বিভিন্ন ভাষালৈ অনুদিত হোৱাৰ উপৰিও 'ব্ৰেইলী' লৈ অনুদিত হৈছে। ফলস্বৰূপে অসমৰ বিভিন্ন অন্ধ বিদ্যালয়ৰ শিশুৰ মাজত উপন্যাসখনে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। মনকৰিবলগীয়া যে, আশাশুধীয়াকৈ অসমীয়া শিশু সাহিত্যৰ জগতখনত জড়িত হৈ ফুকনে

ইতিমধ্যে বিভিন্ন বঁটা-বাহন লাভ কৰিছে। নিৰৱচ্ছিন্ন গতিৰে শিশুৰ জগতখনলৈ অৰিহণা যোগোৱা, কাম কৰা এইজনা শিশু সাহিত্যিক অসমৰ প্ৰতিজন মানুহৰ শ্ৰদ্ধা আৰু আদৰ্শৰ পাত্ৰ।

**গৱেষণা পত্ৰৰ লক্ষ্য আৰু উদ্দেশ্য**

অসমীয়া শিশু সাহিত্যত অন্যতম স্থান দখল কৰিবলৈ সক্ষম হোৱা বন্দিতা ফুকনে অসমীয়া শিশু সাহিত্য বিকাশত, প্ৰসাৰত, ভিন্ন স্বাদ প্ৰদান কৰাত বিশেষভাৱে সক্ষম হৈছে। শিশু বা কিশোৰ সকলে হৈছে আমাৰ সমাজৰ, দেশৰ ভৱিষ্যত। ভৱিষ্যত দেশৰ বাসিন্দাক আমি অভিভাৱক সকলে সঠিক মাৰ্গ দৰ্শন কৰোৱাতো প্ৰধান কৰ্তব্য। এই কৰ্তব্যক বন্দিতা ফুকনে অতি সততা বা সচেতনতাৰে পালন কৰি আহিছে। এইক্ষেত্ৰত মন কৰিবলগীয়া যে, বন্দিতা ফুকনে সামাজিক বিভিন্ন দিশক তেখেতৰ শিশু সাহিত্যৰ বিষয়বস্তু কৰাৰ লগে লগে বিজ্ঞান আৰু পৰিৱেশক বিষয়বস্তু হিচাপে বহুখন উপন্যাস ৰচনা কৰিছে। ইয়াৰ যোগেদি শিশুসকলক বিজ্ঞানৰ বিভিন্ন দিশৰ অগ্ৰগতি সম্পৰ্কে জ্ঞাত কৰাৰ উপৰিও পৰিৱেশ সচেতনতাৰ জ্ঞানো প্ৰদান কৰিছে। অসম প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ ঠাই হ'লেও বনাঞ্চল ধ্বংস আৰু নগৰকেন্দ্ৰিক সভ্যতাই প্ৰাকৃতিক জগতলৈ বিভিন্ন বিপদ মাতি আনিছে। ফলত মানুহৰ লগতে অন্যান্য জীৱ-জন্তু সমূহৰো জীৱন নিৰ্বাহ দুৰ্বিষহ হৈ পৰিছে। গতিকে শিশুসকলক এই দিশৰ বিশদ জ্ঞান দিয়াৰ উদ্দেশ্য ফুকনৰ বিজ্ঞান ভিত্তিক উপন্যাসসমূহত নিহিত হৈ আছে।

নিৰ্বাচিত উপন্যাস 'সেউজীয়া ধৰণী' ৰ মাজেৰে এনে দিশ প্ৰতিফলিত হৈছে। নগৰ। আৰু গ্ৰাম্য পৰিৱেশত কাহিনীভাগ আগবঢ়াই নি মুখ্য চৰিত্ৰ সোণটিৰ যোগেদি শিশুসকলক আমাৰ চৌপাশৰ পৰিৱেশ সম্পৰ্কে বিশদ জ্ঞান দিছে আৰু সজাগতাৰ সৃষ্টি কৰিছে। গতিকে। সাম্প্ৰতিক সময়ৰ বাস্তৱসন্মত ঘটনাটোক শিশু উপযোগীকে উপন্যাসিকাই কেনেদৰে আগবঢ়াই নিছে, বিষয়বস্তু কিমান বাস্তৱসন্মত হৈছে, শিশু মনস্তত্বত কেনে প্ৰভাৱ পেলাইছে এই দিশকেইটা পদ্ধতিমূলক ভাৱে আগবঢ়াই লৈ যোৱাটোৱেই গৱেষণা পত্ৰৰ লক্ষ্য আৰু উদ্দেশ্য।

**গৱেষণা পত্ৰৰ সমল**

গৱেষণা পত্ৰখন মুখ্য আৰু গৌণ দুয়োটা সমলক কেন্দ্ৰ কৰিয়েই আগবঢ়াই নিয়া হৈছে। মুখ্য সমল হিচাপে অনুভৱ পৰাশৰে সম্পাদনা কৰা 'বন্দিতা ফুকনৰ নিৰ্বাচিত শিশু উপন্যাস' গ্ৰন্থখনৰ ভিতৰুৱা 'সেউজীয়া ধৰণী' উপন্যাসখন লোৱা হৈছে। আনহাতে সমাজ বাস্তৱতা বা শিশু মনস্তত্বৰ দিশ বিশ্লেষণৰ বাবে কিছু গৌণ সমলক গ্ৰহণ কৰা হৈছে যদিও

'নিজা দৃষ্টিভংগী' গবেষণা পত্ৰ আলোচনাৰ মুখ্য সমল। কিয়নো এতিয়ালৈকে বন্দিতা ফুকনৰ শিশু উপন্যাসৰ যিমানখিনি আলোচনা হ'ব লাগিছিল সেয়া অতি তাকৰ। গতিকে নিজস্ব দৃষ্টিভংগীয়ে গবেষণা। পত্ৰৰ মুখ্য সমল।

**গৱেষণা পত্ৰৰ সীমাবদ্ধতা**

গৱেষণা পত্ৰৰ সীমাবদ্ধতা এইখিনিতে যে, ফুকনৰ সমগ্ৰ শিশু সাহিত্যৰ ভিতৰত মাত্ৰ এখন উপন্যাসক আলোচনাৰ ভিতৰুৱা কৰা হৈছে। কিয়নো ফুকনৰ 'সেউজীয়া ধৰণী' সমগ্ৰ উপন্যাসৰ ভিতৰত এখন উল্লেখযোগ্য উপন্যাস। লগতে পৰিবেশ প্ৰদূষণৰ দৰে বাস্তৱ সমাজৰ বিষয়বস্তু এটাক শিশু উপযোগীকে সজাওতে ফুকনে কি ধৰণে আগবাঢ়িলে তাক চোৱাৰ প্ৰয়াসতে বিষয়বস্তুৰ সীমা নিৰ্ধাৰিত হ'ল।

**সমাজ-বাস্তৱতাৰ-ধাৰণা**

সাহিত্যত বাস্তৱবাদৰ ধাৰণা সময়, লেখক বা ভিন্ন মতাদৰ্শ অনুসৰি বেলেগ বেলেগ। সাহিত্য হৈছে সমাজৰ দাপোণ আৰু জীৱনৰ আলোচনা। গতিকে যুগধৰ্মিতা ইয়াৰ অবিচ্ছেদ্য অংগ। প্ৰত্যেক সাহিত্য কৰ্মতেই সমসাময়িক বাস্তৱিক যুগৰ চিত্ৰ প্ৰতিফলিত হয়। প্ৰববাদৰ ক্লাছিকেল বান্ধোনৰ পৰা মুক্ত হৈ ৰোমান্টিক সাহিত্যই কল্পনাবিলাসত উটি ফুৰাৰ বিপৰীতে সাহিত্যত সৃষ্টি হোৱা ধাৰণাটো হৈছে বাস্তববাদ বা বিয়েলিজম। বাস্তৱবাদৰ ধাৰণাত যিটো দেখা গৈছে, সিহে সত্য আৰু সেয়াই সাহিত্যত প্ৰতিফলিত কৰাটোৱেই বাস্তববাদী সাহিত্যৰ ধৰ্ম। মানব জীবন আৰু অভিজ্ঞতাৰ যথাযথ প্ৰতিফলন ঘটোৱাটো বাস্তববাদী সাহিত্যৰ মূল আধাৰ। সাধাৰণভাবে কবলৈ হ'লে দৈনন্দিন বা প্ৰাত্যাহিক জীৱনত আমি সমাজখন যি ৰূপত দেখা পাঁও, সেই ৰূপত একো হীন-ডেঢ়ি নঘটাকৈ সাহিত্যত প্ৰকাশ পোৱাটোৱেই, বাস্তববাদ।

এনেদৰে সাহিত্যত বাস্তৱবাদৰ এক আন্দোলন প্ৰথমতে গঢ় লৈছিল উনবিংশ শতিকাৰ মাজভাগত ফ্ৰান্সত। পিছলৈ এই আন্দোলনে সকলো দেশৰ সাহিত্যলৈ বিয়পি পৰে। দৰাচলতে ১৮৫৭ খ্ৰীষ্টাব্দত ফ্ৰেন্সৰ ঔপন্যাসিক চেম্পফুৰি (Champfleury) য়ে 'লা-বিয়েলিজম' (Le Realisme) নামৰ এখন ইস্তাহাব প্ৰকাশ কৰে। ৰমন্যাসিকতাবাদীসকলৰ সীমাহীন স্বাধীনতাৰ বিপক্ষে বাস্তববাদে আন্তৰিক বিশ্বাসযোগ্যতাৰ ওপৰত গুৰুত্ব দিয়ে। এই মতবাদৰ সমৰ্থক সকলে বিষয়ৰ শুদ্ধ চিত্ৰণৰ ওপৰত আৰু সমাজতাত্ত্বিক অন্তদৃষ্টিৰ ওপৰতো সৰ্বাধিক গুৰুত্ব দিয়ে। তেওঁ বিলাকে ভাবে যে লেখকৰ কল্পনা বাস্তব জীবন নিৰ্ভৰ নহ'লে তেনে কল্পনাই জীৱনৰ প্ৰতিৰূপটো ফুটাই তুলিব নোৱাৰেই, প্ৰকৃত জীৱনৰ অন্তৰ আৰু বাহিৰ কোনোটোৰে প্ৰতিনিধিত্ব কৰিব নোৱাৰে।

এনেদৰে উনবিংশ শতিকাৰ মাজভাগৰ পৰাই সাহিত্যৰ বাস্তৱবাদী ধাৰণাই এটি আন্দোলন ৰূপে গঢ় লৈ সমগ্ৰ দেশৰ সাহিত্যলৈ বিয়পি পৰে। সেয়ে কব পাৰি বাস্তৱবাদ এটি সাহিত্যিক ধাৰা। মানৱৰ সহজাত জ্ঞান শক্তিৰে পবিৰেশক বুজিব পৰা আৰু অধ্যয়ন কৰিব পৰা ক্ৰিয়াকেই বাস্তৱবাদৰ সংজ্ঞা দিব পাৰি। ই আদৰ্শবাদৰ বিপৰীত। তথ্যৰ কোনো বিকৃতি নঘটোৱাকৈ সাহিত্যত উপস্থাপন কৰাটোৱেই হৈছে সাহিত্যত বাস্তববাদ। ইয়ে পাঠকক কাল্পনিক জগতৰ পৰা আঁতৰাই আনি বাস্তৱ জীৱনৰ পটভূমিলৈ লৈ আহে আৰু চিন্তাৰ উদ্ৰেক ঘটায়। গতিকে সমাজবাস্তৱতা বুলিলে কোনো এটা সাহিত্য কৰ্মৰ মাজেৰে সমসাময়িক সমাজখনৰ যথাযথ ৰূপ প্ৰতিফলিত হোৱা কথাটোকে সূচিত কৰে। এইখিনিতে মনকৰিবলগীয়া যে সাহিত্যত বাস্তববাদৰ মূৰ্ত প্ৰকাশ ঘটাব পৰা প্ৰধান আহিলা হৈছে উপন্যাস। উপন্যাস হৈছে মানুহৰ বাস্তব জীৱনৰ কলাত্মক ৰূপ। উপন্যাসৰ বহল পৰিসৰত সমাজব্যস্তৱতাৰ দিশসমূহ যিমান বহল ৰূপত উপস্থাপন কৰিব পাৰি, সাহিত্যৰ অন্য শাখাত ইয়াৰ সুবিধা কম। গবেষণা পত্ৰৰ আলোচ্য বিষয় উপন্যাস।

অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰত বীণা বৰুৱাৰ 'জীবনৰ বাটত' ৰ পৰা দৰাচলতে বাস্তৱবাদী উপন্যাসৰ ধাৰা আৰম্ভ হোৱা বুলি ক'ব পাৰি। পৰম্পৰাগত ধাৰাত থাকিও উপন্যাসখনে মানৱ সমাজৰ যি অমোঘ সত্যক উদঘাটন কৰিলে সেয়া মনকৰিবলগীয়া। এই প্ৰসংগত হীৰেন গোহাঁইয়ে ইতিমধ্যে বিষদ আলোচনা আগবঢ়াইছে। এইদৰে অসমীয়া উপন্যাস সাহিত্যলৈ বাস্তববাদী ধাৰা সোমাই আহি সম্প্ৰতিক সময়ত ই বহুল ৰূপ ধাৰণ কৰিছে।

তেনেদৰে শিশু সাহিত্যৰ ক্ষেত্ৰখন বিচাৰ কৰিলেও দেখা যায় যে, সাধুকথা, ৰূপকথাৰ বিপৰীতে যিখিনি বাস্তৱ ঘটনা সম্বলিত কাহিনী, তাৰ প্ৰধান ভিত্তি ও হৈছে সমাজ বাস্তবতা। একেদৰে শিশু উপন্যাস সমূহৰ মূল ভিত্তি হৈছে বাস্তববাদ। ইয়াত বাস্তব সমাজখনৰ ঘটনা সমূহক শিশুৰ সবল মনৰ লগত খাপ খোৱাকৈ উপস্থাপন কৰা হয়।

শিশুৰ মন-মগজু অহৰহ কৌতূহলেৰে পৰিপূৰ্ণ হৈ থাকে। তেওঁলোকে সমাজৰ প্ৰতিটো দিশতে। ক'ত। কিয়। কেনেকৈ। ইত্যাদি প্ৰশ্ন আক আশ্বাৰ্য্যবোধ দৃষ্টি কঢ়িয়াই ফুৰে। শিশুৰ এনে মনবোৰত বাস্তৱৰ কেনো এটা দিশ সম্পৰ্কে সঠিক ভাবে পথ নিৰ্দেশনা দিব পৰা বিষয়বস্তু সম্বলিত ৰচনাই বাস্তৱ শিশু সাহিত্য হ'ব। এনেদৰে বাস্তৱৰ যথাযথ জ্ঞান প্ৰদানৰ আৰ্হিবে বহুজন শিশু সাহিত্যিকে উপযোগী শিশু সাহিত্য ৰচনা কৰি আহিছে। ইয়াৰ ভিতৰত ভৰেন্দ্ৰনাথ শইকীয়া, গগন চন্দ্ৰ অধিকাৰী, ৰথীন্দ্ৰনাথ গোস্বামী, অচিন মোমাইদেউ, দীনেশ গোস্বামী, বন্দিতা ফুকন, দিগন্ত ওজা ইত্যাদিৰ নাম ল'ব পাৰি।

বন্দিতা ফুকনে শিশু-কিশোৰ উপযোগীকৈ ভালেসংখ্যক শিশু সাহিত্য ৰচনা কৰিছে। তাৰ ভিতৰত তেখেতৰ বিজ্ঞান আৰু পৰিৱেশ-সচেতনতাৰ বিষয়বস্তু সম্বলিত উপন্যাসসমূহৰ এক বিশেষ সমাদৰ আছে। আলোচ্য 'সেউজীয়া ধৰণী' উপন্যাসৰ বিষয়বস্তু পৰিবেশ প্ৰদূষণ আৰু পৰিৱেশ সচেতনতা।

সম্প্ৰিতিক সময়ত পৰিবেশ প্ৰদূষণে সমগ্ৰ দেশ চানি ধৰিছে। এই দিশটোৰ প্ৰতি দেশৰ বাসিন্দা সকলৰ সচেতনতাৰ অভাৱ। অদূৰ ভবিষ্যতে আমাৰ নতুন প্ৰজন্মৰ হাতত আমি অতি কদৰ্যতাৰে পৰিপূৰ্ণ এখন দেশ এৰি যাব লাগিব। সময়ৰ সচেতনতাবে যদি পৰিবেশ প্ৰদূষণৰ মূল কেৰোণ সমূহ আমি ফহিয়াই নাচাঁও বা ইয়াক প্ৰতিৰোধ কৰাৰ উপায় সম্পৰ্কে, জ্ঞাত নহও বা সচেতন নহও; তেনেহ'লে প্ৰত্যেক অভিভৱক আমাৰ সন্তানৰ ভৱিষ্যতৰ বাবে দায়ী হ'ব। গতিকে দেশৰ নাগৰিক হিচাপে আমাৰ পৰিৱেশৰ ওপৰত সচেতনতাৰ ভাব জাগ্ৰত হ'ব লাগিব আৰু শিশু-কিশোৰ সকলক এই দিশসমূহ ভালদৰে বুজাব লাগিব। কাৰণ কুমলীয়া বাঁহক যেনেদৰে ভাঁজ দিব পাৰি, শিশু মনকো তেনেদৰে ভাজ দিব পাৰি। আজিৰ শিশু কাইলৈ দেশৰ ভবিষ্যত। সৰল মনা শিশুসকলক পৰিৱেশ সচেতনতাৰ সঠিক দিশসমূহ বুজাব পাৰিলে বা অভিভাৱক সকল নিজে সচেতন হ'লে, এই সমস্যা আমাৰ দেশৰ পৰা আঁতৰিব আৰু এখন প্ৰদূষণ মুক্ত দেশ আমি আমাৰ উত্তৰ পুৰুষক দিব পাৰিম। এনে এটি সুন্দৰ বাৰ্তা লৈ বন্দিতা ফুকনে 'সেউজীয়া ধৰণী' উপন্যাসৰ বিষয়বস্তু নিৰ্বাচন কাৰিছে।

গতিকে আলোচ্য উপন্যাসৰ বিষয়বস্তু বাস্তৱসম্মত। বাস্তৱসম্মত এই বিষয়বস্তুক শিশু মনৰ উপযোগীকৈ ফুকনে কেনেদৰে ৰচনা কৰিলে, তাক ফহিয়াই চাবলৈ যাঁওতে জনাৰ আৱশ্যক হয় শিশু মনস্তত্বৰ কথা।

**শিশু মনস্তত্ব আৰু শিশু সাহিত্য**

সাধাৰণতে শিশু মনৰ ৰুচি-অভিৰুচি অনুসৰি শিশু সাহিত্য ৰচনা কৰাটো অতি কঠিন কাম। এইক্ষেত্ৰত শিশু সাহিত্যিক এজনে এটা বিষয়ৰ বাৰ্তা প্ৰেৰণ কৰাৰ লগতে শিশুৰ মনোৰঞ্জনৰ প্ৰতিও গুৰুত্ব দিব লগা হয় আৰু শিশুৰ সুষ্ঠ মানসিক বিকাশৰ দিশটোও গুৰুত্ব সহকাৰে ল'বলগীয়া হয়। শিশুৰ মনোজগতৰ সঠিক জ্ঞান বা উপলব্ধিক গুৰুত্ব নিদিলে কেতিয়াবা শিশু সাহিত্যিকজন ব্যৰ্থ হ'ব লগাও হয়। সেয়ে শিশুক মানসিকভাবে সুস্থ-সবল কৰি তোলা তথা শিশুৰ ব্যক্তিত্ব আকৰ্ষণীয় কৰি তোলাৰ ক্ষেত্ৰত শিশু-সাহিত্যৰ গুৰুত্ব অপৰিসীম। শিশু-সাহিত্যই শিশুৰ মানসিক জগতৰ বিকাশৰ লগতে শিশুৰ মাজত সন্নিবিষ্ট হৈ থকা সজ গুণাৱলীৰ উৎকৰ্ষ আৰু বিকাশ সাধন কৰিব পাৰে।

সেয়ে শিশুৰ শাৰীৰিক বিকাশৰ লগে লগে মানসিক বিকাশৰ দিশটো সমানে গুৰুত্বপূৰ্ণ। অৰ্থাৎ শিশুৰ সঠিক মানসিক বিকাশৰ ধাৰণাটোৱেই হ'ল শিশু মনস্তত্ব বা শিশু মনোবিজ্ঞান। এজন শিশু স্বাভাবিকতে কৌতূহল প্ৰবণ, অনুকৰণপ্ৰিয়। মনোগত এই দুয়োটা দিশত প্ৰভাব বিস্তাৰ কৰে জন্মগত বা পালিত হোৱা পৰিৱেশে। গতিকে এটি সুস্থিৰ পৰিবেশে শিশুমনস্তত্বত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

এজন শিশু-সাহিত্যিক শিশুৰ এনে আটাইবোৰ দিশৰ প্ৰতি সচেতন হ'ব লাগিব। তেখেতে ৰচনা কৰা নিৰ্দিষ্ট সাহিত্যই শিশুৰ কৌতুহল যথোপযুক্তভাবে নিবৃত্ত কৰিব পাৰিব লাগিব। অনুকৰণ প্ৰিয় শিশুবে যাতে ভুল পৰিবেশত ভুল কথা নিশিকে তাৰ প্ৰতিও লেখকজন সচেষ্ট হ'ব লাগিব। তেখেতে তেখেতৰ সাহিত্যৰ মাজলৈ কোনো বিষয়ৰ ভুল তথ্য আনিব নোৱাৰিব। নীতি আদৰ্শবে শিশুসকলক জ্ঞান দিব লাগিব। যিহেতু শিশু এজনৰ ভাল-বেয়া বা ভুল-শুদ্ধ বিচাৰৰ জ্ঞান নাথাকে, গতিকে সাহিত্যিকজনে সেই দিশৰ প্ৰতিও সজাগ হ'ব লাগিব।

তেনেদৰে শিশুৰ বয়সৰ প্ৰতিও শিশু সাহিত্যিকজন সচেষ্টা হ'ব লাগিব। কাৰণ তিনি-চাৰি বা পাঁচ-সাত বা আঠ-বাৰ বছৰীয়া শিশুৰ বোধগম্যতা বেলেগ বেলেগ হ'ব। গতিকে বয়স অনুসৰি শিশুসাহিত্যৰ বিষয়বস্তু, পৰিসৰ, বাৰ্তা আদি গ্ৰহণযোগ্য হ'ব লাগিব। তাৰ লগে লগে শিশু সাহিত্যকজন ভাষা প্ৰয়োগৰ দিশটোৰ প্ৰতিও সজাগ হ'ব লাগিব। আকৰ্ষণীয়, সহজ-সবলতাৰ মাজেৰে শিশু-সাহিত্যৰ ভাষা আগবাঢ়িব লাগিব। বিশেষকৈ শিশু সাহিত্যৰ ভাষাৰ শুদ্ধতা এটি অতি গুৰুত্বপূৰ্ণ দিশ। গতিকে শিশু মনস্তত্বৰ এনেবোৰ দিশৰ প্ৰতি সাহিত্যিকজন সচেষ্ট হ'লে এখন শিশু সাহিত্য উপযুক্ত শিশু সাহিত্য হিচাপে স্বীকৃত হয়।

**মূল বিষয়ৰ আলোচনা**

গবেষণা পত্ৰৰ মূল আলোচ্য বিষয় হৈছে বন্দিতা ফুকনৰ 'সেউজীয়া ধৰণী' নামৰ শিশু উপন্যাস। উপন্যাসখনৰ বিষয়বস্তু হ'ল পৰিবেশ বিজ্ঞান। উপন্যাসৰ কাহিনী নগৰীয়া আৰু গাঁৱলীয়া দুয়োটা পৰিবেশৰ মাজেৰে আগবাঢ়িছে। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ 'সোপটি'। ২০০৫ চনৰ ডিচেম্বৰত প্ৰকাশ হোৱা উপন্যাসখনৰ ভূমিকাত এনেদৰে লিখিছে- মহাবিশ্ব এক বিনন্দীয়া সৃষ্টি। ইয়াৰ প্ৰতিটো সম্পদ স্ব স্ব গুণ গৰিমাৰে প্ৰোজ্জ্বল। কিন্তু বৰ্তমানত জল, স্থল আৰু মভঃ সকলোতে এক ভয়াবহ পৰিবৰ্তনে দেখা দিছে। এই পৰিৱৰ্তন হ'ল পৰিৱেশিক প্ৰদূষণৰ সমস্যা। পৃথিবীৰ বৰ্ধিত জনসংখ্যা আৰু এচাম লোকৰ প্ৰকৃতিৰ ওপৰত দৌবাত্ম্যাই মনোমোহা বিশ্বখনিত অহৰহ আঘাত হনাৰ

চেষ্টা চলাই থকাটো সর্বজন বিদিত কথা। ...ভূমিস্খলন, প্ৰাকৃতিক গেছ, কল-কাৰখানাৰ পৰা নিৰ্গত ধোঁৱা, কনৰ ধ্বংস সাধন আদিৱ পৰা উদ্ভূত কুফলৰ পৰা জনসাধাৰণক মুক্ত কৰাৰ কাৰণে সমস্ত পৃথিৱী জুৰি বিজ্ঞানী, পৰিবেশ বিজ্ঞানী, চিন্তাবিদ আৰু কবি সাহিত্যিক সকল উঠি পৰি লাগিছে।’ একেই সচেতনতাৰে বন্দিতা ফুকনেও উপন্যাসখনৰ বিষয়বস্তু পৰিৱেশ সচেতনতা বিজ্ঞানসম্মত ভাবে আগবঢ়াই নিছে।

উপন্যাসখনত মাৰ্চ মাহৰ গুৱাহাটী মহানগৰীৰ গৰম আৰু ধূলিৰ প্ৰসংগৰে কাহিনী আৰম্ভ হৈছে। তাৰ লগে লগে উন্নত গাঁও ‘সুন্দৰপুৰৰ’ প্ৰসংগৰে পৰিবেশৰ দিশটো সোমাই আহিছে। উপন্যাসখনত ‘সোণটি’ চহৰৰ স্কুলৰ ছাত্ৰ আৰু ‘পোহৰ’ সুন্দৰপুৰ গাঁওৰ স্কুলৰ ছাত্ৰ। চহৰৰ স্কুলৰৰ উদং চৌহদৰ বৰ্ণনা আৰু গাঁওৰ স্কুলৰ গছ-গছনিৰে পৰিপূৰ্ণ চৌহদৰ বৰ্ণনাৰে পৰিৱেশ প্ৰদূষণ আৰু পৰিৱেশ সচেতনৰ প্ৰসংগক উপস্থাপন কৰি চহৰৰ পৰিবেশ দূষিত হোৱাৰ প্ৰধান দিশ সমূহৰ কথা কাহিনীৰ মাজলৈ লৈ আহিছে। উপন্যাসখনত সোণটি, সোণটিন মাক-দেউতাকৰ কথোপকথনেৰে কাহিনীয়ে গতি লৈছে। সোণটিৰ মনত জাগ্ৰত হোৱা পৰিৱেশ সম্পৰ্কীয় অলেখ প্ৰশ্নৰ উত্তৰ সোণটিৰ মাক-দেউতাকে দিছে।

শিশুৰ মনোজগতৰ প্ৰতি প্ৰখৰ দৃষ্টি ৰখা ফুকনে উপন্যাসত সোণটিৰ দেউতাকৰ যোগেদি পৰিবেশ কি? আৰু পৰিবেশ প্ৰদূষণ কি এনেদৰে বুজাইছে “এৰা মই তোক আগতেই পৰিৱেশ মানে কি তাক বুজাই দিব লাগিছিল। আমাৰ কেউপিনে থকা বায়ু, পানী, মাটিক লৈ পৰিৱেশ গঠন হয়। আমাৰ চাৰিওপিনে থকা বায়ুখিনিত যদি বেয়া গেছ, ধোৱা ধূলিৰে ভৰি পৰে তেনে আমি কওঁ যে পৰিৱেশ দূষিত হৈছে, সেইদৰে আমাৰ কাষৰ মাটি যদি পেলেনীয়া জাৱৰ-জোঁথৰ আদিৰে লেতেৰা হৈছে, কাষেৰে বৈ যোৱা নৈখনত যদি মানুহে জাৱৰ জোঁথৰ, লেতেৰা বস্তু পেলাইছে তেনে নৈখনৰ পানীও লেতেৰা বা দূষিত হৈ পৰে, তেনে আমি ক’ম যে আমাৰ পৰিৱেশ লেতেৰা হৈছে, পৰিবেশত প্ৰদূষণ হৈছে।

ইয়াৰ উপৰি ‘বৰদৈচিলা’, ‘মৌচুমী বতাহ’, ‘বিজুলী’, ‘ঢেকেনি’ আদি সম্পৰ্কে সোণটিক দিয়া বিশদ বিৱৰণে এনে শব্দবোৰৰ লগত শিশু সকলক সুন্দৰকৈ পৰিচয় কৰাই দিছে আৰু বাস্তবসম্মত জ্ঞান প্ৰদান কৰিছে। কিছুদিন ধৰি অধিক গৰম পৰিলে কিয় বৰষুণ হয়, বৰষুণ পৰিলে পনিবেশ কিদৰে নিৰ্মল হৈ পৰে, বৰষুণ পৰা মাটি গছ-গছনি আৰু খেতিৰ কাৰনে কিয়া উপযোগী হয় আদি দিশ সমূহৰ শিশু উপযোগী বাস্তৱসন্মত বিৱৰণ উপন্যাসখনৰ মনকৰিবলগীয়া দিশ।

সোপটিহঁতৰ চহৰৰ পৰা নিলগত নতুনকৈ কিনা মাটি ডোখৰৰ নিজম পৰিবেশ সোণটিৰ ভাল নলগাৰ প্ৰসংগত পৰিৰেশ প্ৰদূষণৰ অন্যানা কেতবোৰ দিশৰ কথাও সোমাই আহিছে 'বুজিছনে সোণটি, এনেকৈ মানুহ-দুনুহ, গাড়ী-মটৰ বাঢ়ি গৈ থকাটো আমাৰ পৰিবেশৰ কাৰণে মুঠেই ভাল কথা নহয়। গাড়ী-মটৰৰ ধোঁৱাই যেনেকৈ পৰিৰেশত বতাহ দূষিত কৰে, তেনেকৈ গাড়ী-মটৰ চলাৰ শব্দ, হৰ্ণব শব্দবোৰে শব্দ প্ৰদূষণো সৃষ্টি কৰে আৰু মানুহৰ মনত অশান্তি দি

খং ৰাগ বঢ়াই দিয়ে।' (পৃ-২৫৮)

ইয়াৰ পাছতে কাৰ্বন-ডাই-অক্সাইড গেছ, অক্সিজেন গেছৰ কাম, উপকাৰিতা, অপকাৰিতাৰ বিৰৰণ, ঘৰৰা গছ-গছনি, চৰাই-চিৰিকটিৰ বিৰৰণ, ডাঙৰ ডাঙৰ কল-কাৰখানা পৰা সৃষ্টি হোৱা প্ৰদূষণ, শব্দ প্ৰদূষণৰ কুফল আদিৰ প্ৰয়োজন সাপেক্ষ বৰ্ণনাই উপন্যাসখনিক অধিক আকৰ্ষণীয় কৰি তুলিছে। গছ-গছনিৰ প্ৰয়োজনীয়তাৰ প্ৰসংগত 'আমাৰ দেশতে বেছিভাগ মানুহৰ গছ-গছনিৰ প্ৰতি মৰম নাই। ক'ৰবাত ঘৰ একোটা সজাবলৈ নতুবা ৰাস্তা একোটাক বহল কৰিবলৈ হ'লে আমাৰ দেশৰ মানুহে ধুনীয়া ধুনীয়া গছবোৰ ঘপহকৈ কাটি পেলায়। আনহাতে এনে এজোপা ডালে-পাতে শুৱনি সৰু, ডাঙৰ গছ এজোপাক পাবলৈ হ'লে আমি বিশ-পঁচিশ বছৰমান ৰ'ব লাগে। বিদেশত কিন্তু এনে গছক কেতিয়াবা আঁতৰাই দিবলৈ হ'লে আধুনিক নিৰাপদ পদ্ধতিৰে খান্দি গছ জোপাই অকণো দুখ নোপোৱাকৈ ঘাই শিপা আৰু অন্যান্য শিপাৰে উখালি ডাঙৰ ট্ৰাকত তুলি আনে আৰু কব লগা নতুন ঠাইডোখৰত আগতেই খান্দি সাৰ-জাবৰ দি থোৱা ডাঙৰ গাঁতত আলফুলে ঝই দিয়েগৈ (পৃ-২৬১)।

এনেদৰে পাশ্চাত্য দেশ সমূহ উন্নত হোৱাৰ লগে লগে পৰিৰেশৰ প্ৰতি কিমান সচেতন সেই প্ৰসংগ সমূহো উপন্যাসৰ কাহিনীৰ মাজলৈ লৈ আহি শিশু সকলক সচেতন কৰি তুলিছে। পাশ্চাত্য দেশ সমূহত ডাঙৰ গছ এজোপা এঠাইৰ পৰা আন এঠাইত ৰব লগা হ'লে কিমান সাৱধানতা অবলম্বন কৰি যত্ন সহকাৰে তাক জীয়াই তোলা হয় তাৰ যুক্তিসম্মত আৰু শিশু উপযোগী বিৰৰণ অতি আকৰ্ষণীয়। এই প্ৰসংগতে ঔপন্যাসিকাই সোণটিৰ দেউতাকৰ ৰুছ দেশত ট্ৰেইনিংৰত অৱস্থাত এনেকুৱা এজোপা ডাঙৰ গছ কই বচাই তোলাৰ চাক্ষুষ বৰ্ণনাৰে ঘটনাংশক অধিক গ্ৰহণযোগ্য কৰি তুলিছে।

বিপৰীতে আমাৰ দেশত সামান্য প্ৰয়োজনতে কেনেকৈ বনাঞ্চল সমূহ ধ্বংস কৰা হয়, গছ-গছনি জবে-মধে কাটি পেলোৱা হয় আৰু গছ-গছনি অবিহনে জীৱজগত কি কি দুৰ্যোগৰ সম্মুখীন হ'ব আদিৰ বাস্তবসম্মত উপস্থাপন মন কৰিবলগীয়া- 'এৰা হাবিবোৰ

উদং হ'লে মানে গছ-গছনি নোহোৱা হৈ গ'লে বৰষুণ কমি আহিব। কাৰণ গছ-গছনিয়ে কেউপিনৰ পৰিৱেশ সেমেকা কৰি ৰাখে। ফলত এনে সেমেকা পৰিৱেশৰ ওপৰেদি উৰি যোৱা ডাৱৰত থকা পানীৰ কণিকাবোৰ ডাঙৰ হৈ বৰষুণৰ টোপালত পৰিণত হৈ বৰষুণ দিয়ে। অথচ এনে ডাৱৰেই যেতিয়া মৰুভূমিৰ দৰে তপত, শুকান ঠাইৰ ওপৰেদি উৰি যায়, তেতিয়া সেই ডাৱৰত থকা পানীৰ কণিকাবোৰ ভাপ হৈ উৰি গুচি যায়। সেয়েহে মৰুভূমিৰ ওপৰত বৰষুণ নহয়।

গছ-গছনিয়ে দূষিত কাৰ্বন-ডাই-অক্সাইড গেছক ঘহি লৈ পৰিৱেশ নিৰ্মল কৰাৰ উপৰিও শব্দৰ ফলত হোৱা প্ৰদূষণো দূৰ কৰে। স্কুল-কলেজ, হস্পিতাল আদি থকা ঠাইবোৰত ৰাস্তাত চলা-গাড়ী-মটৰৰ পৰা অহা নানা তৰহৰ শব্দবোৰক বাধা দিবৰ বাবে নতুবা কমাই দিবৰ কাৰণে এনেবোৰ ঠাইৰ চৌহদত ওখ ওখ গছ ৰোৱাটো বৰ দৰকাৰী কথা। ওখ ওখ ডাল-পাত ভৰা গছবোৰে বাহিৰৰ শব্দবোৰক ভিতৰলৈ অহাত বৰ বেছিকৈ বাধা দিব পাৰে। তদুপৰি গছ-গছনিয়ে নৈৰ খহনীয়া বা পাহাৰৰ মাটি খহাত বাধা দিয়ে। ২৬২-২৬৩)

এনেদৰে গছ-গছনি ধ্বংস নকৰাকৈ কেনেকৈ আমি বিভিন্ন উপায় অৱলম্বন কৰিব পাৰো তাৰ সুন্দৰ চিত্ৰ অংকিত হৈছে। সেই প্ৰসংগতে 'গোবৰ গেছ'ৰ প্ৰসংগক টানি আনি ভাৰতবৰ্ষৰ 'চিপকো' আন্দোলন 'বিছ-নই সংঘ' আদিৰ প্ৰসংগৰ বিষদ বিৱৰণ দিছে। ৰাজস্থানৰ বিছ-নই (২০০৯) জাতিৰ প্ৰকৃতি প্ৰেমৰ উজ্জ্বল নিদৰ্শন সমগ্ৰ ভাৰতবৰ্ষ খ্যাত। এই জাতিটোৱে 'কৃষ্ণ পহু' সংৰক্ষনৰ দিশটো উজ্জল নিদৰ্শন দাঙি ধৰিছে। তেনেদৰে উত্তৰ প্ৰদেশৰ কুমায়ুণ আৰু গাড়োৱান আদি অঞ্চলৰ 'চিপকো' অৱদানৰ বৰ্ণনাই ভাৰতবৰ্ষৰ বিভিন্ন লোক সকলৰ প্ৰকৃতি সচেতনাৰ দিশটোকে সূচিত কৰিছে।

আকৌ বাৰিষাকালৰ বৰষুণ মানুহৰ কাৰণে কেনেদৰে অভিশাপ আৰু আশীৰ্বাদ হৈ পৰে তাৰ সুন্দৰ ব্যাখ্যা, গছ-গছনি সমূহৰ পৰিচয়, নিম গছৰ উপকাৰিতা, ঔষধি গুণ, কীটনাশক। দ্ৰব্য হিচাপে ব্যৱহাৰ অৰ্থাৎ নিমগছৰ ছাল, পাত, গুটি, শিপাকে ধৰি এটা অংশও যে অপ্ৰয়োজনীয় নহয়, তাৰ তথ্যসমৃদ্ধ ব্যাখ্যা উপন্যাসত বিৰাজমান।

তেনেদৰে লেতেৰা ইঞ্জিনৰ পৰা নিৰ্গত হোৱা ক'লা ধোঁৱা আমাৰ কাৰণে কিমান ক্ষতিকাৰক তাৰো বিজ্ঞানসম্মত বিৱৰণ দাঙি ধৰিছে। মূলতঃ সমগ্ৰ প্ৰদূষণক গছ-গছনিয়ে কেনেদৰে নোহোৱা কৰে তাৰ বৰ্ণনাৰ যোগেদি শিশুক নৈতিক শিক্ষা দিয়াৰ লগতে প্ৰকৃতিৰ প্ৰতি সচেতন কৰি তুলিছে। প্ৰকৃতি ৰাজ্যৰ বিভিন্ন ক্ৰিয়া প্ৰতিক্ৰিয়া, পৰিঘটনা সমূহৰ বিশদ-বিৱৰণেৰে শিশু সকলক প্ৰকৃতিৰ প্ৰতি সচেতন কৰি তোলাৰ উদ্দেশ্যে

নিহিত হৈ আছে। শৈশৱৰ পৰাই শিশু সকল গছ-গছনিৰ লগত পৰিচিত হ'লে, ইয়াৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিলে, কেতিয়াও ডাঙৰ হৈ গছ জধে-মধে নাকাটিব। সজাগ সচেতন উত্তৰ পুৰুষে এখন প্ৰদূষণ মুক্ত দেশ গঢ়াত তৎপৰ হ'ব।

আকৌ ভাৰতবৰ্ষত বজা-মহাৰাজৰ প্ৰকৃতি প্ৰীতিৰ নিদৰ্শন ঔপন্যাসিকাই দাঙি ধৰিবলৈ পাহৰা নাই। সম্ৰাট অশোক, চেৰশ্বাহ, আকবৰ, ঔৰংগজেৱ, পঞ্জাৱৰ প্ৰকৃতি প্ৰীতিৰ বৰ্ণনাই উপন্যাসখনক এখন তথ্যকোষলৈ ৰূপান্তৰিত কৰা বুলিহে ক'ব পাৰি।

আনহাতে কল-কাৰখানাৰ বাবে সৃষ্টি হোৱা পৰিবেশ প্ৰদূষণ, এনে প্ৰদূষণৰ পৰা মুক্ত হোৱাৰ উপায়, বিমান কন্দৰৰ প্ৰসংগৰে 'শব্দ প্ৰদূষণৰ প্ৰসংগক উপস্থাপন; ফ্ৰিজ, এয়াৰ কাণ্ডিশ্যনাৰ আদিৰ দৰে সামগ্ৰীৰ ব্যৱহাৰে 'অ'জন স্তৰ'লে নামি অহা সংকট, অভন স্তৰত সৃষ্টি হোৱা সংকটে সৃষ্টি কৰি বিভিন্ন ৰোগ আদিৰ বিৱৰণৰ দ্বাৰা সচেতনতাৰ সৃষ্টি কৰিছে।

এনেদৰে উপন্যাসখনৰ শেষৰফালে গছ গছনিৰো যে প্ৰাণ থাকে, গছ-গছনিয়ে যে সমস্ত জীবকূলক আশ্ৰয় প্ৰদান কৰে এনে যোগাত্মক দিশৰ উপস্থাপনৰ দ্বাৰা আমাৰ উত্তৰপুৰুষলৈ সুন্দৰ বতৰা প্ৰেৰণ কৰিছে। 'ভাল কামৰ সদায় ভাল ফল হয়'। গতিকে আমি ভাল কামসমূহ সদায়েই কৰি যাব লাগে। পৰিবেশৰ প্ৰতি সচেতনতাইহে মানুহক ভাল কামৰ প্ৰতি উদ্বুদ্ধ কৰিব পাৰে আৰু ইয়াৰ দ্বাৰাই আমাৰ দেশখন চিৰসেউজ হৈ থাকিব। এইখিনিতে উপন্যাসখনৰ নামৰ সাৰ্থকতাও প্ৰতিয়মান হয়।

**সামৰণি**

সেউজী ধৰণীক সেউজীয়া কৰি ৰখাৰ সুন্দৰ বতৰাৰে ৰচিত 'সেউজীয়া ধৰণী' বন্দিতা ফুকনৰ সাৰ্থক উপন্যাস। পৰিৱেশক প্ৰধান বিষয় হিচাপে লৈ তাৰ সুক্ষ্মাতি-সুক্ষ্ম বিৱৰণেৰে কৌতূহলী শিশুৰ মনত সৃষ্টি হোৱা বা হ'ব পৰা অনেক প্ৰশ্নৰ উত্তৰ প্ৰদান কৰিছে। একোটা বিষয়ৰ বিশদ জ্ঞান প্ৰদান কৰি শিশুসকলক সঠিক পথ নিৰ্দেশনা দিছে। উপন্যাসখনে শিশু সাহিত্য অকাডেমী বঁটা (২০১১) প্ৰাপ্তিৱে উপন্যাসখনৰ সাৰ্থকতাৰ দিশটোকে সূচিত কৰিছে। শিশু উপযোগী কথনশৈলী উপন্যাসখনৰ মনকৰিবলগীয়া দিশ। এনে কথনশৈলীৰ প্ৰয়োগে উপন্যাসখন পঠনৰ প্ৰতি শিশুক আগ্ৰহী কৰি তোলে। গোটেই উপন্যাসখনে আৰম্ভণিৰ পৰা শেষলৈ পৰিবেশ সচেতনতাৰ দিশটোক নিটোল ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে। লগতে চৰিত্ৰ-চিত্ৰণ, কলা-কৌশল আদি দিশৰ পৰাও উপন্যাসখনৰ সাৰ্থকতা আছে। বন্দিতা ফুকনৰ এনে বাৰ্তা প্ৰদান কৰা উপন্যাস সমূহ শিশুৰ লগতে অভিভাৱক সকলেও পঢ়া উচিত।

**শেষ টোকা**

১) মজুমদাৰ, বিমল/সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ। পৃ.২৯

২) শইকীয়া, নগেন/সাহিত্য-বাদবৈচিত্ৰ্য/পৃ.২৭

৩) বৰুৱা, নয়নমণি/ অসমীয়া শিশু সাহিত্য/পৃ.৩৭

৪) পৰাশৰ, অনুভৱ (সম্পা) বন্দিতা ফুকনৰ নিৰ্বাচিত শিশু উপন্যাস/সেউজীয়া ধৰণী উপন্যাসৰ ভূমিকা, পৃ.২৫০

৫) পৰাশৰ, অনুভৱ (সম্পা) বন্দিতা ফুকনৰ নিৰ্বাচিত শিশু উপন্যাস/সেউজীয়া ধৰণী/পৃ.২৫৯

**গ্ৰন্থপঞ্জী**

**মুখ্য সমল**

পৰাশৰ, অনুভৱ বন্দিতা ফুকনৰ নিৰ্বাচিত শিশু উপন্যাস/চিন্তামণি প্ৰকাশন/ প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২২/ গুৱাহাটী-৭

**গৌণ সমল**

বৰুৱা, নয়নমণি/অসমীয়া শিশু সাহিত্য/পূৰ্বায়ণ প্ৰকাশন/প্ৰথম প্ৰকাশ, আগষ্ট, ২০২২

মজুমদাৰ, বিমল/সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ/ জ্যোতি প্ৰকাশন/প্ৰথম প্ৰকাশ, মাৰ্চ, ২০১১

শইকীয়া, নগেন/সাহিত্য-বাদ বৈচিত্ৰ্য/কৌস্তুভ প্ৰকাশন/১০ ম মুদ্ৰণঃ মে, ২০১৭